# আৰ জি বৰুৱা কলেজত ‘ভাৰতীয় জ্ঞান পৰম্পৰা’ শীৰ্ষক কৰ্মশালা সম্পন্ন



গুৱাহাটী, ২৮ মে’ঃ ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ উদ্যোগত আজি এলানি কাৰ্যসূচীৰে ‘ভাৰতীয় জ্ঞান পৰম্পৰা’ বিষয়ক এখন কৰ্মশালা সম্পন্ন হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ প্ৰাণজিৎ কুমাৰ নাথে সকলোকে আদৰণি জনাই কৰ্মশালাখন উদ্বোধন কৰে। ভাষণত তেওঁ ভাৰতীয় জ্ঞান পৰম্পৰাৰ বৈচিত্ৰ্য আৰু বিবিধতা আৰু আধুনিকতাৰ গ্ৰাসত ভাৰতীয় জ্ঞানৰ সমলসমূহ হেৰাই যোৱাৰ উপক্ৰম হোৱা সম্পৰ্কে অৱগত কৰে।

কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় (স্বায়িত্বশাসিত)ৰ সহযোগী অধ্যাপক ডঃ সৌৰভ প্ৰাণ শৰ্মা। তেওঁ ভাৰতীয় বেদান্ত দৰ্শনৰপৰা আৰম্ভ কৰি বিজ্ঞানৰ ভিন্ন প্ৰশাখাৰ মাজেদি বিস্তাৰিত ভাৰতীয় জ্ঞান-পৰম্পৰা চৰ্চাৰ বহুকেইটা দিশ বিশ্লেষণ কৰে। ভাৰতীয় জ্ঞান পৰম্পৰাক আধাৰ হিচাপে লৈ কেনেদৰে আধুনিক বিজ্ঞান আগবাঢ়িব পাৰে, সেই সম্পৰ্কেও তেওঁ কয়। কৰ্মশালাখনে ভাৰতীয় জ্ঞান অন্বেষণ কৰাত সহায় কৰাৰ লগতে অতীত আৰু ভৱিষ্যতৰ জ্ঞানৰ মাজত সংযোগ স্থাপন কৰাত মাৰ্গ দৰ্শন কৰিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ ভাৰতীয় জ্ঞানৰ নথিভুক্তকৰণৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি অতীতক বৰ্তমানৰ সৈতে সংযোগ স্থাপন কৰিবলৈ আহ্বান জনায়। ঐতিহাসিক দৃষ্টিভংগীৰে তেওঁ ভাৰতীয় জ্ঞান পৰম্পৰাৰ ওপৰত আলোকপাত কৰি পৰম্পৰাগত ঔষধ, ভাৰতৰ স্থাপত্য-ভাস্কৰ্য আদি উদাহৰণেৰে ভাৰতীয় জ্ঞান পৰম্পৰাৰ ঐতিহ্য দাঙি ধৰে। কৰ্মশালাখনত ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ লগতে অন্যান্য মহাবিদ্যালয়ৰো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী উপস্থিত থাকে। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক তথা শিক্ষা বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ডঃ দীপাংকৰ তালুকদাৰে সকলোকে কৃতজ্ঞতা জনায়।

DAINIK